# 2021

## ASSAMESE

## ( Major )

Paper : 6.5

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

### শাখা—ক

১। অতি চমুকৈ উত্তৰ লিখা : ১×৫=৫

(ক) 'অলম্' শব্দৰ অৰ্থ কি?

(খ) ভৰত মুনিৰ মতে অলংকাৰ কেইপ্ৰকাৰৰ?

(গ) কোনজন আলংকাৰিকে বক্ৰোক্তিক কাব্যজীৱন বুলি কৈছে?

(ঘ) কুসুমমালা ছন্দত ৰচিত এখন কাব্যৰ নাম লিখা।

(ঙ) অসমীয়া ছন্দৰ মূল একক কি?

২। চমু উত্তৰ লিখা : ২×৫=১০

(ক) যি কোনো দুবিধ বাক্-শক্তিৰ নাম লিখা।

(খ) অলংকাৰৰ গৌণ প্ৰয়োজন দুটা কি কি?





(গ) অলংকাৰৰ প্ৰধান ভাগ দুটা কি কি?

(ঘ) অক্ষৰ (Syllable) কাক বোলে? Syllable-ৰ অসমীয়া প্ৰতিশব্দ হিচাপে অক্ষৰৰ বাহিৰে আৰু কি শব্দ সমালোচকসকলে ব্যৱহাৰ কৰিছে?

(ঙ) অমিত্ৰাক্ষৰ ছন্দত কবিতা ৰচনা কৰা দুগৰাকী অসমীয়া কবিৰ নাম লিখা।

৩। তলৰ প্ৰশ্নবোৰৰ উত্তৰ লিখা (যি কোনো **তিনিটা**) : ৫×৩=১৫

(ক) শব্দ পৰিৱৰ্তনৰ সম্ভৱপৰতা কি অলংকাৰৰ লক্ষণ? উদাহৰণসহ এইবিধ অলংকাৰৰ বিষয়ে চমুকৈ লিখা।

(খ) যি কোনো দুগৰাকী আলংকাৰিকৰ সূত্ৰৰ আধাৰত অলংকাৰৰ লক্ষণ কি, আলোচনা কৰা।

(গ) পৰ্যায়মিলন বা পৰ্যায়পদ কি, আলোচনা কৰা।

(ঘ) আটাইতকৈ দীঘলীয়া অসমীয়া ছন্দ কোনটো? ইয়াৰ গঠনৰীতি কেনেকুৱা, আলোচনা কৰা।

(ঙ) যতি কাক বোলে? নিম্নলিখিত স্তৱকটিৰ যতিস্থানবোৰ দেখুওৱা :

মুকুতা মণিটি পাহিত জিলিকে
ফটিক পানীত ধোৱা
নিশাৰ তৰা এটি সৰিয়েহে আছে
সৰগত টোপনি যোৱা

## শাখা—খ

৪। তলৰ যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখা : ১০×৩=৩০

(ক) অলংকাৰ প্ৰয়োগৰ ফলত কাব্যত কেনেদৰে ৰমণীয়তা সম্পাদন হয়, উদাহৰণৰ সহায়ত বিশ্লেষণ কৰা। ১০

(খ) আলংকাৰিকসকলৰ মতামতৰ আধাৰত কাব্যত অলংকাৰৰ স্থান মুখ্য নে গৌণ, বিচাৰ কৰা। ১০

(গ) অসমীয়া ছন্দৰ ত্ৰিধাৰা কি কি? এই ত্ৰিধাৰা কিহৰ ভিত্তিত নিৰ্ণয় কৰা হৈছে? যি কোনো এটা ধাৰাৰ বিষয়ে আলোচনা কৰা। ৩+১+৬=১০

(ঘ) ''ধনৰ সুহুৰি লাগি নকঁপিল বুকু আজি নৈৰ পাৰৰ
তামোলত ৰাগী নাই চেনেহীৰ কোমল হাতৰ
ঢেঁকীশাল ৰিঙা-ৰিঙা বিহুৰ চিৰাৰ চাব্ নাবাজে কাণত
ঢেঁকীৰ শালত কিয় নামতী নিমাত
এই উৰুকাৰ ৰাতি-দুপৰীয়া
ৰান্ধনি ঘৰত আজি খাৰুৰ আমনি ক'তা জুনুক-জানাক্
উচপ নাখায় কিয় ওঁঠ আৰু চকু মোৰ
মুগা ৰিহা মেখেলাৰ আহিছে আহিছে লগা লাগি''

উল্লিখিত স্তৱকটিত কি ছন্দৰ প্ৰয়োগ হৈছে? ছন্দবিধৰ স্বৰূপ সম্পৰ্কে আলোচনা কৰা। ১+৯=১০





(ঙ) তলৰ যি কোনো **দুটা** স্তৱকৰ ছন্দ নিৰূপণ কৰি ছন্দবিধৰ বিষয়ে আলোচনা কৰা : ৫×২=১০

(১) মৎস্যৰূপে অৱতাৰ ভৈলা প্ৰথমত।
উদ্ধাৰিলা চাৰিবেদ প্ৰলয় জলত।।

(২) পাচে ত্ৰিনয়ন দিব্য উপবন
দেখিলন্ত বিদ্যমান।
ফল ফুল ধৰি জকমক কৰি
আছে যত বৃক্ষমান।।

(৩) কতো বেলি হানে গাছ।
কতো কোপে চাপি কাছ।।
যুঁজিলন্ত মাল-বান্ধে।
ধৰি ভৰি ভৰি ছান্দে।।

★ ★ ★